# 2025

## ASSAMESE

( Honours Core )

Paper : ASM–HC–6026

( অসমীয়া লিপিৰ ইতিহাস )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) বিশ্বৰ প্ৰাচীনতম লিপিবিধৰ নাম কি ?

(খ) ব্ৰাহ্মীলিপিৰ উদ্ভৱৰ সময় কোন শতিকা ?

(গ) কোন লিপিৰ স্বৰৰ মাত্ৰাবোৰ বেছি অঁকা-বেঁকা আৰু দীঘল ?

(ঘ) নামনি অসমত প্ৰচলিত মধ্যযুগীয় অসমীয়া লিপিটোৰ নাম কি ?

(ঙ) মহেশ্বৰ নেওগে কোনবিধ লিপিক 'সৰল আৰু নিৰলংকাৰ' (very much simple and unornamented) আখ্যা দিছে ?

(চ) পৰ্বতীয়া শাসন কোনগৰাকী ৰজাই খোদিত কৰিছিল ?

(ছ) বলবৰ্মাৰ হাওৰাঘাট শাসনৰ অন্য নাম কি ?

(জ) কানাই বৰশীবোৱা শিলালিপিখন কোন চনত উদ্ধাৰ হৈছিল ?

(ঝ) সমুদ্ৰ পালৰ আমবাৰী শিলালিপি বৰ্তমান ক'ত সংৰক্ষিত হৈ আছে ?

(ঞ) 'প্ৰাচ্য শাসনাৱলী' গ্ৰন্থখনৰ ৰচক কোন ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) হায়ুংথল তাম্ৰশাসন কোনগৰাকী ৰজাই, কোন শতিকাত প্ৰদান কৰিছিল ?

(খ) পৃথিৱীৰ লিপিবোৰক কি কি দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি ?

(গ) ৩৫০ খ্ৰীষ্টাব্দৰ পাছত ব্ৰাহ্মীলিপি স্পষ্টভাৱে কোন দুটা ভাগত বিভক্ত হৈছিল ?

(ঘ) ভাস্কৰ বৰ্মাৰ দুখন শাসনৰ নাম লিখা।

(ঙ) হাতে লিখা পুথিৰ আখৰ আৰু শাৰীবোৰ সমান কৰিবলৈ ব্যৱহাৰ হোৱা লিখন সামগ্ৰী দুবিধৰ নাম লিখা।

৩। যি কোনো চাৰিটাৰ চমু টোকা লিখা : ৫×৪=২০

(ক) ভাৱমূলক লিপি

(খ) বাণমুখ লিপি

(গ) কুটিল লিপি

(ঘ) সুৰেন্দ্ৰ বৰ্মাৰ উমাচল লিপি

(ঙ) বলবৰ্মাৰ হাওৰাঘাট শাসন

(চ) অসমীয়া হাতে লিখা পুথিৰ লিখন কলা

৪। (ক) লিপি বুলিলে কি বুজা? পৃথিৱীৰ যি কোনো চাৰিটা প্ৰাচীন লিপিৰ চমু পৰিচয় দাঙি ধৰা। ১০

*অথবা*

(খ) ভাৰতৰ প্ৰাচীনতম লিপি আৰু ইয়াৰ বিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৫। (ক) খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈ অসমীয়া লিপিৰ পৰিচয় দাঙি ধৰি ইয়াৰ বিকাশ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) অসমৰ শিলালিপিসমূহৰ বিষয়ে এক পৰিচয়মূলক বৰ্ণনা দাঙি ধৰা।

৬। (ক) ভাস্কৰ বৰ্মাৰ তাম্ৰ শাসন কেইখনত ব্ৰাহ্মী আৰু গুপ্তলিপিৰ আখৰৰ পৰম্পৰা ৰক্ষিত হৈয়ো কেনেদৰে অসমীয়া আখৰৰ স্বৰূপ বিদ্যমান হৈছে উদাহৰণসহ বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) বনমাল বৰ্মাৰ শাসন কেইখনৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৭। (ক) গড়গঞা লিপি বুলিলে কি বুজা? এই লিপিৰ নামৰ তাৎপৰ্য, ব্যৱহাৰকাৰী, সময় তথা এই লিপিৰে ৰচিত গ্ৰন্থৰাজিৰ বিষয়ে আলোচনা কৰা। ১০

*অথবা*

(খ) হাতে লিখা পুথিত ব্যৱহৃত যি কোনো চাৰিবিধ লিখন সামগ্ৰীৰ প্ৰস্তুত প্ৰণালী সম্পৰ্কে বিতংকৈ লিখা।

★★★